# আবেলি

**হিৰণ্ময়ী মেধি**

সুৰীয়া পখীবোৰ বাহলৈ উভতিছে

আৰু
আহি আহি মই
এই নৈৰ ঘাটত ৰৈছোঁহি

অকলশৰে...অকলশৰে
ইমান অকলশৰে

মোৰ দৰে একেই একাকী হৈ বৈ আছে শীৰ্ণ নৈখন

ক্লান্ত সময়ক বোকোচাত বৈ
শ্ৰান্ত হৈ জিৰণি লোৱা নৈপৰীয়া বতাহজাক
আৰু ৰি ৰিয়াই বাজি থকা জিলীৰ মাতৰ বাহিৰে
ক'তো একোৱেই নাই

পিছলৈ উভতি চোৱা নাই
য'ত এৰি আহিছোঁ মৰুভূৰ তমসা

ভৰ বানত মূধচলৈকে ডুবিব বুলি জানিয়েই তুমি চাগে
নৈৰ বালিত যুগমীয়া কৰি লিখিছিলা মোৰ নাম
বালিঘৰৰ বাটচ'ৰাত আঁৰি থৈছিলা
প্ৰতিশ্ৰুতিৰ এলবাম

দেহৰ ছালখনৰ দৰেই
স্মৃতিবোৰো কোঁচ খাই আহিছে

অথচ
মনটো তোমাৰ বাবে একেই আকলুৱা

সমুখত সৌৱা দিনান্তৰ সূৰ্য
ইমান সৌম্য, ইমান ভাস্বত

নুমাই যোৱাৰ আগতে জ্বলি উঠা চাকিগছিৰ দৰেই
মোৰো দেখোন সুতীব্ৰ হৈ আহিছে
জীৱনটো উদযাপন কৰাৰ হাবিয়াস

ধূসৰ আন্ধাৰ নামি আহিছে অ'

সোঁ, বাঁও বা পিছফালে কোনো নাই
সিপাৰতো কোনো নাই

সমুখত কেৱল সৰ্পিল জলৰাশি

কি এক সনাতন আৱাহনত
দিনটো ডুব যাব খুজিছে নৈখনৰ বুকুত

ভটিয়নি সোঁতত ময়ো এৰি দিলোঁ মোৰ নাও

অনুপল,
এতিয়াতো সকলো বাধা অতিক্ৰমি আহিলোঁ
তোমাক এবাৰ লগ জানো নাপাম!

# সূৰ্যমুখী

**মৃণাল কুমাৰ বৰা**

মনৰ অজানিতে সুগন্ধি বিচাৰি গ'লোঁ
সেই সূৰ্যমুখীত। য'ত জাকি মাৰি উৰি অহা
চৰায়ে বাট দেখুৱায় মৃণ্ময় ছাঁত।

বাটৰ সিপাৰে বিধ্বস্ত কৰি যোৱা ঘাঁহনিডৰাত
হুমুনিয়াহ কাঢ়ি গুণগুণায় বিষাদে। পৰম
প্ৰত্যয়ৰে যি সাবটি লয় প্ৰাণ ভৰি অনুভৱ কৰা
এই পৃথিৱীক! আন্ধাৰ হোৱাৰ আগেয়ে বুকুত
আঁকে নিভাঁজ নীলা আকাশ। দুপৰ ৰ'দে
কোনেও নেদেখাকৈ কোনেও নুবুজাকৈ আঁতৰায়
ধোঁৱা আৰু ধূলি ধূসৰিত খোজ।

মাটিত আঁকি লৈছোঁ কৌতূহলী চকু। নিৰীক্ষণ মাথোঁ
জুমি চোৱাৰ ভাবনাত নতুন গতিতত্ত্ব। তাৰে কোনোবাখিনিত
ঘনকৈ বাঢ়ি আহে টুটি অহা সেউজীয়া। দুলি থাকে
মেজাংকৰীৰ পাগ পিন্ধা অবোধ সপোন। উদ্বাউল
কৰি তোলে পাৰ ভঙা কুঁৱলীয়ে। শিহৰিত ঘটনাক্ৰমে
কোবায় জীৱন। তীব্ৰ গতিত বলা বতাহজাকৰ দৰেই।
প্ৰেৰিত হৈ বৈ অহা মৃদু তৰংগ কেৱল প্ৰৱেশ কৰে
আকলুৱা মনত! আন্ধাৰ-আলান্ধু ভাঙে। নতুন
সম্ভাৱনাত ক্ৰমশঃ বাঢ়ি আহে প্ৰাচুৰ্য।

এবাৰ উপলব্ধি কৰা। বিশ্বাস অথবা প্ৰেম
উথলি উজলি উঠা হেন দেখিলেই গীত হৈ বৈ আহে
সৰগৰ পৰা মৰতলৈ সুন্দৰ। বিচৰণৰ ভূমিকা মাথোঁ
সেই সূৰ্যমুখীত।

# শংকৰদেৱ

**ৰানু বৰুৱা গগৈ**

তেওঁ অহা বাটত
সাঁচিপাতবোৰে সাঁপিছিল নিজক
বাটে বাটে বোৱায় যুগৰ বৈতৰণী

পূৰ্বাহ্নৰ নিয়ম সোঁৱৰাই
তাত থৈ গ'ল
ভুৰুকাত হাতীৰ সম্ভেদ

তেওঁৰ পদশিলাত এতিয়া দিগন্ত ব্যাপি
চৌষষ্ঠি কলাৰ সম্ভাৰ

নতুন দুৱাৰ
নতুন সমাজ
তেওঁৰ চিন্তনৰ এমুঠি সমিধ

তেওঁ ৰ'দ,
এছাটি বতাহ

দবাৰ মাত হৈ বাজি উঠিল
আৰু কাঁহৰ মাত হৈ জীণ নোযোৱাকৈ কঁপি ৰ'ল
মানুহৰ বুকুত—অনন্ত কাল।

নিয়ম পালিবলৈ যতাই গ'ল নিয়ম
নিয়ম ভাঙিবলৈ শিকাই গ'ল নিয়ম

তেওঁত সাঁপিলে
কাণিবেলাত চকু মুকলি।